*ৰাজ্যিক জৈৱ নিয়ন্ত্ৰণ পৰীক্ষাগাৰত প্ৰস্তুত কৰা*

*স্থানীয়ভাৱে চিনাক্তকৰণ কৰা অতি উচ্চ মানবিশিষ্ট*

# *চিউড'মনাচ ফ্লৰেচ্‌চেন্স*

*(বেক্টেৰীয়া আৰু ভেকুঁৰজনিত উইল্ট ৰোগ নিয়ন্ত্ৰক)*

শস্য : বেঙেনা, বিলাহী, জলকীয়া আৰু কেপ্‌চিকাম।

**প্ৰয়োগ প্ৰণালী সমূহ :-**

**(ক) পুলিৰ শিপা শোধন :**

পৰিমাণ : প্ৰতি ১২৫০ টা পুলিৰ বাবে ২০০ গ্ৰাম চিউড'মনাচ ফ্লৰেচ্‌চেন্স

**কেনেকৈ প্ৰয়োগ কৰিব ?**

প্ৰথমেত, ২০০ গ্ৰাম চিউড'মনাচ ফ্লৰেচ্‌চেন্স ২০০ মিঃ লিঃ ঠাণ্ডা ভাতৰ মাৰৰ সৈতে মিহলাওক।

দ্বিতীয়তে, উভালি অনা পুলিৰ শিপা অংশ ওপৰৰ মিশ্ৰণত ডুবাওক আৰু ২০ মিনিট অপেক্ষা কৰক।

তৃতীয়তে, পুলিটো ছাঁত ২০ মিনিট শুকাবলৈ দিয়ক।

চতুৰ্থতে, পথাৰত পুলি ৰোপণ কৰক।

**(খ) পুলি ৰোৱাৰ সময়ত মাটি শোধন :**

পৰিমাণ : প্ৰতি বিঘাত এক কিঃ গ্ৰাঃ চিউড'মনাচ ফ্লৰেচ্‌চেন্স।

অনুপাত :- ১ : ২০ অৰ্থাৎ ১ চিউড'মনাচ ফ্লৰেচ্‌চেন্স ২০ পচা গোবৰ সাৰ

প্ৰয়োগ প্ৰণালী :- প্ৰথমেত, ভালকৈ পচা গোবৰখিনি ছালি লওক।

দ্বিতীয়তে, এক কিলোগ্ৰাম চিউড'মনাচ ফ্লৰেচ্‌চেন্স ২ কিঃ গ্ৰাঃ ছালি থোৱা পচা গোবৰৰ সৈতে মিহলাওক।

তৃতীয়তে, এই মিশ্ৰণ (২ + ১) ৩ কিঃ গ্ৰাঃ আগেত ছালি থোৱা ১৮ কিঃ গ্ৰাঃ পচা গোবৰৰ সৈতে ভালকৈ মিহলাওক।

চতুৰ্থতে, কমেও ২ লিটাৰ পানী মিহলাওক যাতে মিশ্ৰণটো জেকা লগা বা লেপলেপীয়া ধৰণৰ হয়।

পঞ্চমতে, ওখ ঢিপৰ দৰে কৰি ছাঁত পলিথিন বা বস্তাৰে ঢাকি থওক। ৩ ৰ পৰা ৬ দিন অপেক্ষা কৰক।

ষষ্ঠতে, পুলিৰোৱাৰ বাবে প্ৰতিটো গাঁতত ২০ গ্ৰামকৈ মিশ্ৰণটো প্ৰয়োগ কৰি পুলি ৰোপণ কৰক আৰু লগে লগে মাটিৰে ঢাকি দিয়ক।

**(গ) পুলি ৰোপণ কৰাৰ ৩০ দিনৰ ভিতৰত মাটি শোধন :**

পৰিমাণ : প্ৰতি বিঘাত ২ কিঃ গ্ৰাঃ চিউড'মনাচ ফ্লৰেচ্‌চেন্স।

প্ৰয়োগ প্ৰণালী : পদ্ধতি (খ) ত উল্লেখ কৰাৰ দৰে মিশ্ৰণটো প্ৰস্তুত কৰি লওক।

পুলিবোৰৰ গুৰিৰ চাৰিওফালৰ কিছু মাটি আতৰাই উপৰুৱা শিপা বিলাক উদঙাই লওক। এতিয়া, মিশ্ৰণটোৰ ৪০ গ্ৰামকৈ প্ৰতিটো পুলিৰ শিপাত লগাকৈ প্ৰয়োগ কৰক আৰু লগে লগে মাটিৰে ঢাকি দিয়ক।

*বিঃ দ্ৰঃ ক, খ বা গ যিকোনো এটা পদ্ধতিৰে চি, ফ্ল, প্ৰয়োগ কৰিব পাৰি। তিনিওটা পদ্ধতিৰ ভিতৰত খ পদ্ধতিটো উৎকৃষ্ট বুলি বিবেচিত হৈছে।*

---

*উপসঞ্চালক, ৰাজ্যিক জৈৱ নিয়ন্ত্ৰণ পৰীক্ষাগাৰ, অসম, ৰামকৃষ্ণ মিচন ৰোড উলুবাৰী, গুৱাহাটীৰদ্বাৰা প্ৰকাসিত আৰু প্ৰচাৰিত।*